# মহাবিদ্যালয়সমূহৰ সহকাৰী অধ্যাপক নিযুক্তিত মৌখিক পৰীক্ষা বাতিলৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ সাময়িক স্থগিতাদেশ

স্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩ আগষ্ট ঃ মহাবিদ্যালয়সমূহৰ সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত মৌখিক পৰীক্ষাৰ প্ৰয়োজন নাই বুলি অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সচিবে দিয়া অফিচ মেমোৰেণ্ডামৰ ক্ষেত্ৰত কলগাছিয়াৰ নৱজ্যোতি কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত মহামান্য উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰিছে। উল্লেখ্য যে ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱসত লালকিল্লাত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰী চাকৰি নিযুক্তিৰ ক্ষেত্ৰত মৌখিক পৰীক্ষা বা সাক্ষাৎকাৰ উঠাই দিব লাগে, যিহেতু স্বচ্ছ আৰু নিৰপেক্ষ নিযুক্তি হ'বলৈ হ'লে মৌখিক পৰীক্ষাৰ প্ৰয়োজন নাই বুলি ঘোষণা কৰিছিল। প্ৰধান মন্ত্ৰীৰ ঘোষণাৰ ওপৰত ভিত্তি কৰি অসমৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত অসমৰ উচ্চ শিক্ষা বিভাগৰ সচিবে অফিচ মেম'ৰেণ্ডাম এ এইচ ই ২১১/২০১৫/১০৪ তাৰিখ ৭/৬/২০১৬ যোগে পূৰ্বৰ ১৪/০৮/১৫ তাৰিখৰ অফিচ মেম'ৰেণ্ডামখন নাকচ কৰি মৌখিক সাক্ষাৎকাৰ বাতিল কৰিছিল। জানিব পৰা মতে মহাবিদ্যালয়সমূহৰ সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত মৌখিক পৰীক্ষা বা সাক্ষাৎকাৰ অনুষ্ঠিত কৰা-নকৰাৰ সন্দৰ্ভত চাৰি বছৰত তিনিখন অফিচ মেম'ৰেণ্ডাম প্ৰকাশ হৈছিল। ২০১২ চনৰ ২৫ জুনত অফিচ মেম'ৰেণ্ডাম এ এইচ ই ২৬২/২০১২/১৩ যোগে মহাবিদ্যালয়সমূহত সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত মৌখিক সাক্ষাৎকাৰ প্ৰয়োজন নাই বুলি প্ৰকাশ কৰা হৈছিল। পৰৱৰ্তী সময়ত ২০১৫ চনৰ ১৪ আগষ্টত অসমৰ উচ্চ শিক্ষা বিভাগৰ সচিবে এ এইচ ই ২১১/২০১৫/৯৫ নম্বৰ অফিচ মেম'ৰেণ্ডাম যোগে ২০১২ চনৰ নিৰ্দেশটো নাকচ কৰি পূৰ্বৰ মৌখিক সাক্ষাৎকাৰ বাহাল ৰাখে। যিহেতু বিশ্ববিদ্যালয় গ্ৰাণ্ট কমিচনৰ (ইউ জি চি) ৰেগুলেচনত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত মৌখিক পৰীক্ষাত শতকৰা ২০ নম্বৰ ধৰা হৈছিল। কিন্তু বিশ্ববিদ্যালয়ৰ গ্ৰাণ্ট কমিচনৰ (ইউ জি চি) ৰেগুলেচনত উল্লেখ কৰা ২০ শতাংশ নম্বৰৰ ক্ষেত্ৰত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সচিবে দিয়া অফিচ মেম'ৰেণ্ডামত কোনো ধৰণৰ কথা উল্লেখ নাই। উক্ত বিছ শতাংশ নম্বৰ প্ৰাৰ্থীয়ে কেনেদৰে লাভ কৰিব এই কথা স্পষ্ট নোহোৱাৰ বাবে পুনৰ নতুন চৰকাৰখনে চলিত বৰ্ষৰ ৭ জুনত এ এইচ ই ২১১/২০১৫/১০৪ নম্বৰৰ অফিচ মেম'ৰেণ্ডাম প্ৰকাশ কৰি মৌখিক সাক্ষাৎকাৰ বাতিল কৰে। ইয়াতেই ক্ষুব্ধ হৈ উক্ত অফিচ মেম'ৰেণ্ডামক প্ৰত্যাহ্বান জনাই মহামান্য উচ্চ ন্যায়ালয়ত ৰিট আবেদন দাখিল কৰে ড° প্ৰণৱ কুমাৰ কলিতাই। বৰপেটাৰ কলগাছিয়াৰ নৱজ্যোতি কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত প্ৰণৱ কুমাৰ কলিতা এগৰাকী আবেদনকাৰী আছিল। কলিতাৰ ৰিট আবেদন ডব্লিউ পি (চি) ৪০৫৯/২০১৬ নম্বৰৰ আবেদনখনৰ ওপৰত মহামান্য উচ্চ ন্যায়ালয়ে প্ৰাথমিক শুনানি গ্ৰহণ কৰাৰ পিছত ১৫ জুলাইত কলগাছিয়াৰ নৱজ্যোতি কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক নিযুক্তি সাময়িকভাৱে স্থগিতাদেশ জাৰি কৰিছে।

Amar Asom, 04/08/16

## বাঁহ চুৰি ঘটনাক কেন্দ্ৰ

ৰাজ্যত
১,০০০খন
আমাৰ দোকান